**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-03-2025
**Time :** 1205 hrs

ASSAMESE MIDDAY BULLETIN

**::::::::::::::::::**

গুৱাহাটী মহানগৰীৰ জল বোৰ্ডে সামৰি লোৱা অঞ্চলসমূহত অহা ১ জুলাইৰ পৰা গুৱাহাটী পৌৰ নিগমে পানী যোগান বন্ধ কৰিব। গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তই এখন জাননী যোগে এই কথা প্ৰকাশ কৰিছে। সেই অনুসৰি জল বোৰ্ডৰ অধীনত পানী সংযোগৰ বাবে পৌৰ নিগমৰ ৰেচন কাৰ্ড থকা গ্ৰাহকসকলে ৩০ দিনৰ ভিতৰত আবেদন কৰিলে তেওঁলোকৰ বাবে পানী সংযোগৰ সমুদায় ৯ হাজাৰ ৫০০ টকা গুৱাহাটী পৌৰ নিগমে বহন কৰিব। জল বোৰ্ডৰ অধীনত পানী যোগান প্ৰক্ৰিয়াত নাগৰিকসকলক উৎসাহিত কৰাৰ বাবে নিগমে এই পদক্ষেপ গ্ৰহণ কৰিছে।

ইপিনে, পানবজাৰ পানী যোগান প্ৰকল্পত বৈদ্যুতিক খুঁটা সলনিৰ বাবে কাইলৈ আৰু পৰহিলৈ মহানগৰীৰ ১৬টা স্থানত পানীযোগান ব্যাহত হ'ব।

ooooo

জলবায়ু পৰিৱৰ্তন আৰু শক্তি সংৰক্ষণৰ সজাগতা সৃষ্টিৰ লক্ষ্যৰে ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীৰ সমৰ্থনত আজি নিশা চাৰে ৮ বজাৰ পৰা চাৰে ৯ বজালৈ ৰাজ্যখনৰ জনসাধাৰণক অনাৱশ্যকীয় সকলো বিদ্যুৎচাকি বন্ধ কৰি ৰাখিবলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে। World Wide Fund for Nature চমুকৈ WWF INDIA নামৰ সংস্থাৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচী সফল কৰাৰ বাবে চৰকাৰে এই এঘণ্টা ব্যক্তিগত ব্যৱসায়িক আৰু অন্যান্য সংস্থাসমূহক পৰিবেশ বহনক্ষমতা ৰক্ষাৰ বাবে প্ৰতিকীভাৱে এই কাৰ্য কৰিবলৈ আহ্বান জনাইছে। এনে ধৰণৰ সৰু অথচ গুৰুত্বপূৰ্ণ পদক্ষেপে জলবায়ু পৰিৱৰ্তন ৰোধ আৰু শক্তি সংৰক্ষণৰ অভ্যাস গঢ় দিয়াৰ ক্ষেত্ৰত জনসাধাৰণক সহায় কৰিব বুলিও ৰাজ্য চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্যৰ কাৰ্যালয় প্ৰাঙ্গনত আজিৰে পৰা দুদিনীয়াকৈ কেন্সাৰ কেয়াৰ ইণ্ডিয়াৰ ২২ সংখ্যক ৰাষ্ট্ৰীয় অধিবেশন অনুষ্ঠিত হৈছে। দেশৰ বিভিন্ন ৰাজ্যৰ শতাধিক কৰ্কট ৰোগৰ বিশেষজ্ঞই অংশগ্ৰহণ কৰা এই অধিবেশন আজি মন্ত্ৰী কৌশিক ৰায়ে উদ্বোধন কৰে। কেন্সাৰ কেয়াৰ ইণ্ডিয়াৰ অধ্যক্ষ তথা মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই উদ্বোধনী ভাষণত কৰ্কট ৰোগৰ চিকিৎসা আৰু এই সম্পৰ্কত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত সংগঠনটোৱে কৰি অহা বিভিন্ন কাম-কাজৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰে।

ooooo

কামৰূপ জিলাৰ পছৰীয়াত সম্ভৱী অসম নামৰ সংস্থাটোৰ উদ্যোগত আৰু পছৰীয়া কুশল কোঁৱৰ হাইস্কুলৰ সহযোগত অঞ্চলটোৰ ৰাম সৰস্বতী প্ৰেক্ষাগৃহত কালি বিশ্ব পুতলা নাচ দিৱস উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত পুতলা নাচৰ জৰিয়তে ওজাপালি, ঢুলীয়া নাচ, নাগাৰা নাম আদি

পৰিবেশন কৰাৰ উপৰি পূজাৰীসকলৰ গীত-মাতো পৰিবেশন কৰা হয়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ, সাংবাদিক পৰেশ বৈশ্য মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

ooooo

ধুবুৰী জিলাৰ গৌৰীপুৰৰ মাটিয়াবাগত থকা গোৱালপৰীয়া লোকসংগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ বাসগৃহ হাৱা মহলৰ সংৰক্ষণৰ কাম পূৰ্ণ গতিত চলি আছে। আমাৰ ধুবুৰী জিলাৰ সংবাদদাতাই জনোৱা মতে প্ৰতিমা বৰুৱা পাণ্ডেৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উপৰি অসমৰ জমিদাৰী প্ৰথা তথা গোৱালপাৰা জিলাৰ পুৰণি সম্পদশালী ইতিহাসৰ সৈতে নতুন প্ৰজন্মক পৰিচয় কৰোৱাৰ লক্ষ্যৰে এই হাৱা মহলৰ সংৰক্ষণৰ কাম কৰি থকা হৈছে। উল্লেখযোগ্য যে অসম মন্ত্ৰীসভাৰ এখন বৈঠকত ১৫ কোটি টকা ব্যয়সাপেক্ষে এটা সংগ্ৰহালয় গঢ়ি তোলাৰ বাবে গৌৰীপুৰৰ মাটিয়াবাগৰ প্ৰায় ১২ বিঘা মাটি অধিগ্ৰহণত অনুমোদন জনোৱা হৈছিল।

ooooo

পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ'ত আজি আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ দুজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে জুবিনছন টেৰাং আৰু চংজা হান্সে নামৰ লোক দুজনৰ পৰা মাদক দ্ৰব্যভৰ্তি ২০টা কণ্টেইনাৰ জব্দ কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে লোক দুজনক সোধা-পোচা কৰি আছে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত পৰিবেশ প্ৰদূষণ - নতুন ভাবুকি শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিবেশিকা অৰুণিমা গোস্বামীয়ে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত মেডিচিন বিভাগৰ বিশিষ্টা চিকিৎসক ডাঃ ৰুণজুন টেৰণপী আৰু পৰিবেশ কৰ্মী মুবিনা আখতাৰে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফেচবুক পেজ airnewsghy আৰু Youtube Channel airnewsGuwahati-যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

ooooo

ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণ আজি আৰম্ভ হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনছ ষ্টেডিয়ামত আজি সন্ধিয়া উদ্বোধনী খেলখন যোৱাবাৰৰ বিজয়ী কলকাতা নাইট ৰাইডাৰ্ছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মাজত খেলোৱা হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত ১০টা দলৰ মাজত ৭৪ খন খেল অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত